# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-02-2024

**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

::::::::::::::::::::::::::::::

**Headlines**

১। বিধানসভাত বিত্ত মন্ত্ৰী অজন্তা নেওগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট দাখিল। অহা ৩ বছৰৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিলৈ পৰিগণিত হ'ব বুলি বাজেটত উল্লেখ।

২। বাজেটত ১০ লাখ কন্যা-শিশুৰ উচ্চ শিক্ষাত সহায় হোৱাকৈ মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২৪০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ।

৩। সেউজ অসম নিৰ্মাণৰ লক্ষ্যৰে অমৃত বৃক্ষ আন্দোলনৰ অধীনত ৩ কোটি গছপুলি ৰোপন আৰু সকলো ভৱনত বাধ্যতামূলকভাৱে ৰুফ টপ ছ'লাৰ সংস্থাপনৰ কথা ঘোষণা।

৪। বাজেটত নিয়োগৰ সুবিধা সৃষ্টিৰ দ্বাৰা বহনক্ষম উন্নয়নৰ বাস্তৱসন্মত পথৰ নিৰ্দেশনা দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

*আৰু*

৫। এন আৰ চিৰ বাবে ২৭ লাখ লোকৰ আধাৰ পঞ্জীয়ন বিবেচনাধীন হৈ থকা কথাটো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে আৰু অচিৰেই সমাধান ওলোৱাৰ আশা আছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি বিধানসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। এই বাজেটত অসমৰ মুঠ ঘৰুৱা উৎপাদন চলিত বিত্তীয় বৰ্ষত ৬ লাখ ৪৩ হাজাৰ কোটি টকা হ'ব বুলি উল্লেখ কৰা হৈছে। তদুপৰি অহা ৩ বছৰৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিলৈ বিকশিত হ'ব বুলিও বাজেটত উল্লেখ কৰা হৈছে। কন্যা-শিশু আৰু মহিলা সৱলীকৰণ, যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু অমৃত কালৰ প্ৰত্যাশা পূৰণৰ লক্ষ্যৰে কেইবাটাও উন্নয়নমূলক প্ৰস্তাৱ দিয়া হৈছে। তদুপৰি নিবনুৱা যুৱক-যুৱতীৰ সুবিধাৰ্থে ৩৫ হাজাৰ নতুন চাকৰি দিয়াৰ প্ৰস্তাৱ এই বাজেটত দিয়া হৈছে। এই বাজেটত ১০ লাখ কন্যা-শিশুৰ উচ্চ শিক্ষাত সহায় হোৱাকৈ মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২৪০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। ইপিনে অৰুণোদয় দ্বিতীয় পৰ্যায় আঁচনিৰ অধীনত দিব্যাংগ, ৰূপান্তৰকামী আৰু অন্যান্য সকলক সামৰি লোৱাৰ বাবে ৩ হাজাৰ ৮০০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। এই আঁচনিৰ অধীনত আঢ়ৈ লাখ অতিৰিক্ত হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰি ৰাজ্যৰ ৩০ লাখতকৈ অধিক পৰিয়াললৈ অৰুণোদয় আঁচনিৰ সুবিধা সম্প্ৰসাৰিত কৰা হ'ব। অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত ১২ লাখ ঋণগ্ৰস্ত মহিলাক ঋণৰ পৰা মুক্ত কৰাৰ বাবে ৫৫০ কোটি টকা আৰু ৰাজ্যখনত উদ্যমিতা বিকাশৰ বাবে আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ১ লাখ যুৱক-যুৱতীক সহায় কৰিব পৰাকৈ এহাজাৰ ১০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত

গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটৰ ৩৯ লাখ ৬৭ হাজাৰ ৭৪৩ গৰাকী সদস্যালৈ ১০ হাজাৰ টকাকৈ উদ্যোগ পুঁজি আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছে। নগৰাঞ্চলতো এই অভিযানৰ অধীনত আঢ়ৈ লাখ আত্মসহায়ক গোটৰ সদস্যক বাজেটত সামৰি লোৱাৰ কথা উল্লেখ কৰা হৈছে। অসমত অমৃত কালৰ ধ্বজাবাহী প্ৰকল্প নিৰ্মাণ আৰু অসম মালা ২ পইণ্ট জিৰোৰ অধীনত পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে প্ৰস্তাৱ দিয়াৰ লগতে চাহ বাগিচা সম্প্ৰদায়ৰ কল্যাণৰ বাবেও বাজেটত প্ৰস্তাৱ ৰখা হৈছে। অমৃত কালৰ প্ৰকল্পৰ অধীনত ৩ হাজাৰ ২৫০ কোটি টকা ব্যয়ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পুনৰ বিকাশ, ৮৩২ কোটি টকা ব্যয়ৰে নেহৰু ষ্টেডিয়ামক বিশ্বমানৰ ক্ৰীড়া ক্ষেত্ৰলৈ উন্নীতকৰণ, ৮৮৬ কোটি টকাৰে কাজিৰঙা প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় স্থাপন, গহপুৰত কনকলতা বিশ্ববিদ্যালয়ৰ বাবে ৫৫৪ কোটি টকা, অসম ৰাজ্যিক চিৰিয়াখানা আধুনিকীকৰণৰ বাবে ৩১১ কোটি টকা আৰু মা কামাখ্যা দিব্যলোক পৰিযোজনাৰ বাবে ৪৯৮ কোটি টকা প্ৰকল্পৰ ব্যয় ধাৰ্য কৰা হৈছে। সেউজ অসম নিৰ্মাণৰ লক্ষ্যৰে অমৃত বৃক্ষ আন্দোলনৰ অধীনত ৩ কোটি গছপুলি ৰোপন আৰু সকলো নতুন ব্যক্তিগত আৰু ৰাজহুৱা ভৱনত বাধ্যতামূলকভাৱে ৰুফ টপ ছ'লাৰ সংস্থাপনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে। পূণ্য তীৰ্থ যোজনাৰ অধীনত ২৫ হাজাৰ যাত্ৰীক ৰাম মন্দিৰ দৰ্শন কৰিবলৈ বাজেটত ২৫ কোটি টকা ধাৰ্য কৰা হৈছে। আজি উত্থাপিত বাজেটত ক্ৰীড়া খণ্ডৰ বিকাশৰ বাবে কেইবাটাও প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ অধীনত প্ৰতিটো বিধানসভা সমষ্টিত এটাকৈ যুৱ ক্লাবলৈ ক্ৰীড়া সা-সঁজুলি ক্ৰয়ৰ বাবে ১৫ লাখ টকাকৈ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। আৰক্ষী, কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ বসবাসৰ সুব্যৱস্থাৰ বাবে ৰাজ্য চৰকাৰে অনাগত ৫ বছৰত এহাজাৰ বৰ্গ ফুটৰ দুটাকৈ শোৱনি কোঠাযুক্ত ১০ হাজাৰ নতুন গৃহ নিৰ্মাণৰ প্ৰস্তাৱো আজি বাজেটত দিয়া হৈছে। শিশুসকলৰ কল্যাণৰ বাবে এই বছৰত এহাজাৰ ২৫০ কোটি টকা ব্যয়ৰে পুনৰ ৫ হাজাৰটা আদৰ্শ অংগনবাড়ী নিৰ্মাণৰ প্ৰস্তাৱো বাজেটত দিয়া হৈছে। তদুপৰি কণী, গাখীৰ আৰু মাছ উৎপাদনত ৰাজ্যখনৰ আত্মনিৰ্ভৰশীলতাৰ বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ বাজেটত ২৫ কোটি টকা ধাৰ্য কৰা হৈছে। অসম আৰক্ষীত অগ্নিবীৰ সকলৰ বাবে ১০ শতাংশ পদ সংৰক্ষণৰ প্ৰস্তাৱ আজি বাজেটত দিয়া হৈছে। আজি বাজেটত প্ৰস্তাৱিত আন এটা গুৰুত্বপূৰ্ণ পদক্ষেপ অনুসৰি যিসমূহ পৰিয়ালত চৰকাৰী বা ৰাজহুৱা খণ্ডৰ এজনো চাকৰিয়াল নাই তেনে প্ৰাৰ্থীয়ে নিযুক্তি পৰীক্ষাত লাভ কৰা নম্বৰৰ সৈতে অতিৰিক্ত ৫ শতাংশ নম্বৰ লাভ কৰিব। ইয়াৰ বাবে চলিত বছৰতে নতুন বিধেয়ক উত্থাপনৰো প্ৰস্তাৱ দিয়া হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত হেৰিটেজ বেল্ট এণ্ড ব্লকৰ জৰিয়তে অসমৰ ঐতিহ্যমণ্ডিত ক্ষেত্ৰসমূহ সুৰক্ষিত কৰাৰ বিষয়েও বাজেটত উল্লেখ কৰা হৈছে। চলিত বিত্তীয় বৰ্ষৰ বাবে আজি সদনত দাখিল কৰা বাজেট সন্দৰ্ভত সাংবাদিক নৰেশ কলিতাই এইদৰে কয়-

**Voice Cast**

00000

আজি বিধানসভাত দাখিল কৰা চলিত বিত্তীয় বৰ্ষৰ বাজেটক ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আদৰণি জনায়। এটা বিবৃতিত শ্ৰী কলিতাই এই বাজেটখন এখন সামগ্ৰিকভাৱে উন্নয়নকামী তথা জনমুখী আৰু আন্তঃগাঁথনিমূলক বাজেট বুলি মন্তব্য কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম, অসম মালা আদি আঁচনিৰ জৰিয়তে পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে বাজেটত কেইবাহাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। শ্ৰী কলিতাই অসমবাসীক এখন গতিশীল বাজেট দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিত্ত মন্ত্ৰী অজন্তা নেওগক ধন্যবাদ জ্ঞাপন কৰে।

আজি সদনত দাখিল হোৱা বাজেট প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অমৃত কালত দেশক বিকশিত ভাৰতলৈ ৰূপান্তৰ সাধনৰ লক্ষ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ অসমক দেশৰ ৫খন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে পৰিগণিত কৰাত সহায় কৰিবলগীয়া এখন সৰ্বাংগ সুন্দৰ বাজেট দাখিল কৰাৰ বাবে বিত্ত মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই বাজেটত নিয়োগৰ সুবিধা সৃষ্টিৰ দ্বাৰা বহনক্ষম উন্নয়নৰ বাস্তৱসন্মত পথৰ নিৰ্দেশনা দিয়া হৈছে। অসমে ২০২৪-২৫ বিত্তীয় বৰ্ষত মূলধনী ব্যয় ঐতিহাসিকভাৱে বৃদ্ধি কৰি ২০ হাজাৰ কোটি টকা কৰাৰ বাবে লক্ষ্য লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে, এই বাজেটে মহিলা সৱলীকৰণ, পথ আন্তঃগাঁথনি উন্নয়ন, সেউজ অসম নিৰ্মাণ, চাহ জনগোষ্ঠীৰ বাবে উন্নয়নমূলক আঁচনি আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

ৰাজ্য চৰকাৰে  ২০২৩ বৰ্ষৰ বাবে আগবঢ়োৱা ৰাজ্যিক সৰ্বোচ্চ অসামৰিক সন্মানসমূহ কাইলৈ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। ন্যায়, কলা-সংস্কৃতি, ক্ৰীড়া, জনসেৱা, স্বাস্থ্য, শিক্ষা, উদ্যমিতা, উদ্যোগ, কৃষি, পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণ আদিৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য সেৱাৰ স্বীকৃতি স্বৰূপে এই বঁটাসমূহ প্ৰদান কৰি অহা হৈছে। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত  কাইলৈ বিয়লি ৪ বজাত অনুষ্ঠিত হ'বলগীয়া এটা অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই বঁটাসমূহ প্ৰদান কৰিব। এইবাৰ অসম বৈভৱ বঁটা ৰঞ্জন গগৈলৈ আগবঢ়োৱা হৈছে। একেদৰে অসম সৌৰভ বঁটা ডং কিশণ চন্দ নৌৰিয়াল, এলভিছ আলী হাজৰিকা, হিমা দাস আৰু নাদিৰাম দেউৰীক প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি ৰঞ্জিত কুমাৰ গগৈ, পাৰ্বতী বৰুৱা, দেৱজিৎ চাংমাই, দ্ৰোণ ভূঞা, নীলম দত্ত, অনুপম ডেকা, সৌম্যদ্বীপ দত্ত, বসন্ত চিৰিং ফুকন, মানেন্দ্ৰ ডেকা, মীনাক্ষী চেতিয়া, পখিলা লেকথেপি, টেনজিং বদোচা, নিৰ্মল দে, জেচিন কুম্বাং পাৰ, মেৰী হাছাঁ, উপেন্দ্ৰ ৰাভা আৰু ৰাহুল গুপ্তাক অসম গৌৰৱ বঁটা প্ৰদান কৰা হ'ব।

০০০০০

০০০০০

কাইলৈ বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়ত কাইলৈ এই দিৱস উদযাপন কৰিব। কাইলৈৰ অনুষ্ঠানত জিলাখনত সাপ্তাহিক কাৰ্যসূচী আকাশবাণী যোগে প্ৰচাৰৰ শুভাৰম্ভ কৰা হ'ব। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে ৰেডিঅ'- তথ্য মনোৰঞ্জন আৰু শিক্ষাদানৰ এটা শতিকা।

০০০০০

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী এন আৰ চিৰ বাবে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা ২৭ লাখ লোকক লৈ ৰাজ্য চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। প্ৰায় ২৭ লাখ লোকৰ আধাৰ কাৰ্ড বন্ধ কৰি ৰখাৰ বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, এই বিষয়টো কেন্দ্ৰৰ দৃষ্টিগোচৰ কৰা হৈছে আৰু এই সন্দৰ্ভত শীঘ্ৰেই সঠিক সমাধান লাভ কৰাৰ আশা আছে। চৰকাৰে অতি শীঘ্ৰেই এই বিষয়টোৰ সমাধানৰ প্ৰয়াস কৰি আছে বুলি তেওঁ প্ৰকাশ কৰে। লগতে তেওঁ কয় যে, এন আৰ চিৰ চূড়ান্ত তালিকা এতিয়াও প্ৰকাশ হোৱা নাই। নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ অধিনিয়ম ২০২৩ অনুসৰি চূড়ান্ত তালিকা প্ৰকাশৰ অধিকাৰ ভাৰতৰ মহা পঞ্জীয়কৰ হাতত ন্যস্ত আছে বুলি তেওঁ উল্লেখ কৰে। বিধানসভাত আজি এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে, এন আৰ চিৰ সত্যাসত্য নিৰূপণৰ বাবে অসম চৰকাৰে কোনো ধৰণৰ শপতনাপা দাখিল কৰা নাই। তেওঁ কয় যে, উচ্চতম ন্যায়ালয়ে

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ বিষয়ক জটিলতাৰ বাবে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা ২৭ লাখ লোকৰ বায়'মেট্ৰিক সংগ্ৰহ কৰাৰ নিৰ্দেশ দিছিল। ৰাজ্য চৰকাৰে ইতিমধ্যে সকলো তথ্য কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে বুলি তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰে জাননী জাৰি নকৰা পৰ্যন্ত এই সন্দৰ্ভত ৰাজ্য চৰকাৰে একো কৰিব নোৱাৰে বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ আঁচনি লাভৰ ক্ষেত্ৰত এই ২৭ লাখ লোকৰ একো অসুবিধা নাই যদিও কেন্দ্ৰীয় চৰকাৰৰ আঁচনি লাভৰ ক্ষেত্ৰত সমস্যা আছে বুলি তেওঁ কয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰিত সময়ৰ ভিতৰতেই স্বচ্ছতাৰে নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়াস কৰি আছে, যাতে সকলোৱে নিজৰ নিজৰ যোগ্যতাসমূহ প্ৰদৰ্শনৰ সমান সুযোগ লাভ কৰিব পাৰে। ৰোজগাৰ মেলাৰ অধীনত আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ১ লাখৰো অধিক নৱ-নিযুক্ত প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আজিৰ প্ৰতিগৰাকী যুৱক-যুৱতীয়ে এই কথা জানে যে কঠোৰ পৰিশ্ৰম কৰিলে তেওঁলোকে নিজৰ স্থান প্ৰতিষ্ঠা কৰিব পাৰে। শ্ৰী মোদীয়ে কয় যে , তেওঁৰ চৰকাৰে ১০ বছৰত পূৰ্বৰ চৰকাৰৰ ১০ বছৰ সময়ছোৱাৰ তুলনাত ডেৰ গুণ অধিক চৰকাৰী নিযুক্তি প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ ৰে'ল ব্যৱস্থা বৰ্তমান বৃহৎ সংস্কাৰৰ দিশে আগবাঢ়িছে। তেওঁ কয় যে, উন্নত যোগাযোগ ব্যৱস্থাই অৰ্থনীতিৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়ে, নতুন ব্যৱসায় আৰু পৰ্যটনৰ বিকাশত সহায় কৰে বুলিও তেওঁ লগতে মন্তব্য কৰে।

শ্ৰী মোদীয়ে কয় যে, বৰ্তমান সময়ত ভাৰতবৰ্ষ হৈছে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্ট আপ পৰিৱেশ তন্ত্ৰ। তেওঁ কয় যে, দেশত বৰ্তমান প্ৰায় ১ লাখ ২৫ হাজাৰটা ষ্টাৰ্ট আপ আছে আৰু এই ষ্টাৰ্ট আপসমূহে যুৱক-যুৱতীসকলৰ বাবে ভালেমান নিয়োগৰ সুযোগ সৃষ্টি কৰিছে।

উল্লেখযোগ্য যে, আজি দেশৰ ৪৭টা বিভিন্ন স্থানত ৰোজগাৰ মেলা অনুষ্ঠিত হয়। ইফালে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজাৰাত থকা বি এছ এফৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি নৱনিযুক্ত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ বিতৰণ কৰে।

০০০০০

আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যু বা এনকাউণ্টাৰ সন্দৰ্ভত বিধায়ক অখিল গগৈয়ে আজি বিধানসভাত সোধা এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে, ২০২১ চনৰ ১০ মে'ৰ পৰা চলিত বৰ্ষৰ ৩১ জানুৱাৰীলৈ অসমত ৩৪ জন অভিযুক্তৰ আৰক্ষীৰ জিম্মাত মৃত্যু হৈছে আৰু ১৩১ জন আঘাত প্ৰাপ্ত হৈছে।

ইয়াৰে ৯৭টা ঘটনাৰ দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত হোৱাৰ বিপৰীতে ৬০টাৰ তদন্ত কৰা হোৱা নাই বুলি তেওঁ সদনক জানিবলৈ দিয়ে। অসমত বৰ্তমানলৈকে কোনো ভুৱা সংঘৰ্ষ হোৱা নাই বুলিও তেওঁ মন্তব্য কৰে। ইপিনে, বিধায়ক শ্বেৰমান আলী আহমেদে অসমত বৰ্তমান কিমান D-ভোটাৰ আছে বুলি প্ৰশ্ন তুলি সমষ্টিভিত্তিত নাম, বয়স, অভিভাৱকৰ নাম তথা ভোটাৰ তালিকাৰ ক্ৰমিক নম্বৰসহ প্ৰকাশ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ১৯৯৭ ৰ পৰা ২০২৩ বৰ্যন্ত কিমানগৰাকী D-ভোটাৰ চিনাক্ত কৰা হ'ল আৰু কিমানগৰাকীৰ নাম কৰ্তন কৰা হ'ল বুলি তেওঁ প্ৰশ্ন কৰে। নিৰ্বাচনী বিভাগৰ মতে ৰাজ্যত ৯৬ হাজাৰ ৯৮৭ গৰাকী D-ভোটাৰ আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে। তেওঁ কয় যে, ১৯৯৭ চনৰ পৰা ২০২৩ চনলৈ ভোটাৰ তালিকাৰ পৰা ৮৯ হাজাৰ ৪০০ গৰাকী D-ভোটাৰৰ নাম কৰ্তন কৰা হৈছে।

বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ৰাজ্যখনত ২০২০-২১ চনৰ পৰা প্ৰায় এতিয়ালৈকে সংঘটিত হোৱা বিভিন্ন অপৰাধমূলক ঘটনা সন্দৰ্ভত প্ৰশ্ন তোলে। ৰাজ্যখনত সেই সময়ছোৱাত সংঘটিত হোৱা বিভিন্ন চাইবাৰ অপৰাধ আৰু ইয়াক ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও তেওঁ প্ৰশ্ন কৰে। গৃহ বিভাগৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰশ্নৰ উত্তৰত কয় যে, ২০২১ চনৰ পৰা ২০২৪ চনৰ ৩১ জানুৱাৰীলৈ ৰাজ্যত ৫২ হাজাৰ ৮০৩টা চুৰি, ৫৫৭টা ডকাইটী, ২২ হাজাৰ ৮২৬টা অপহৰণ ঘটনা সংঘটিত হৈছে। আনহাতে চলিত বৰ্ষৰ ৩১ জানুৱাৰীলৈ ৪৮টা ছাইবাৰ অপৰাধ সংঘটিত হৈছে।

০০০০০

চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আজি আৰম্ভ হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া সমূহ শিক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন কৰি দিয়া এটা বাৰ্তাত কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাই তেওঁলোকক সফলতাৰ বাট দেখুৱাব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এইবাৰৰ পৰীক্ষাত মুঠ ২লাখ ৮০হাজাৰ ২১৬গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। ইয়াৰে কলা  শাখাত ২লাখ ছহেজাৰ ৪৬৭, বিজ্ঞান শাখাত ৫৫হাজাৰ ২৮৭, বাণিজ্য শাখাত ১৭হাজাৰ ৫৮২ আৰু বৃত্তিমুখী শাখাত ৮৮০গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰক পংকজ বৰঠাকুৰে প্ৰকাশ কৰা মতে এইবাৰ ৮৭৭টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হৈছে আৰু ৬১ টা মূল্যায়ন মণ্ডলত বহীসমূহ পৰীক্ষা কৰা হ'ব।  আজি আৰম্ভ হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু ১৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰতিখন জিলাতে পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰসমূহৰ আশে-পাশে প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰি বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰিছে। অহা ১৩ মাৰ্চত এই পৰীক্ষা অন্ত পৰিব।

০০০০০

অহা ২০ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ ৰাজ্যত হ'বলগীয়া হস্তী গণনাৰ বাবে গোৱালপাৰা বন সংমণ্ডলত জিলা সাংবাদিক সন্থাৰ সভাকক্ষত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। এই প্ৰশিক্ষণত কেইবাগৰাকী শীৰ্ষ বন বিষয়াই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ ৪টা বন সংমণ্ডলৰ বনাঞ্চলিক বিষয়া, জ্যেষ্ঠ কনিষ্ঠ বনপালক আৰু বনৰক্ষীসকলে অংশগ্ৰহণ কৰে।

০০০০০

মধ্য প্ৰদেশৰ ভূপালত যোৱা ৯ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ৩৪ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ, ছাব জুনিয়ৰ কায়াকিং আৰু কেনয়িং প্ৰতিযোগিতাত আজি মৰিগাঁৱৰ তিনিগৰাকী খেলুৱৈয়ে এটা সোণ আৰু দুটা ৰূপৰ পদক অৰ্জন কৰিছে। কালি ৫০০ মিটাৰ কে-টুত ৰূপৰ পদক অৰ্জন কৰা জিলাখনৰ বিক্ৰমজ্যোতি কোঁৱৰ আৰু দৰ্শন বৰদলৈয়ে আজি ২০০ মিটাৰ কে-টু শাখাত সোণৰ পদক অৰ্জন কৰে। আনহাতে ৫০০ মিটাৰ মিক্সড কে-টু শাখাত বিক্ৰমজ্যোতি কোঁৱৰ আৰু গাৰ্গী প্ৰিয়দৰ্শিনী বৰদলৈয়ে ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত